**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 13**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::::::::::::::::::::::::::

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাজকোটৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ প্ৰথম সমাবৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নাৰী শক্তি বন্দন সন্মিলনত ভাষণ দিব।

৩। প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি চাৰি বজাত মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন কৰা হ'ব।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ঘোষণা অনুসৰি আজিৰ পৰা দেশখনৰ সেনাই ইৰানৰ বন্দৰসমূহ সাগৰীয় পথেৰে অৱৰোধ কৰাৰ কাম আৰম্ভ কৰিব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানৰ ব্যৱধানত পৰাস্ত কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা চাৰিদিনীয়া ভ্ৰমণসূচীলৈ গুজৰাট আৰু মহাৰাষ্ট্ৰলৈ যাব। ৰাষ্ট্ৰপতিগৰাকীয়ে এইমছ ৰাজকোটৰ প্ৰথম সমাৱৰ্তন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাইলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ড০ বি আৰ আম্বেদকাৰৰ জয়ন্তী উপলক্ষে গান্ধী নগৰৰ লোকভৱনত অনুষ্ঠিত হ'বলগীয়া সামাজিক সম্ৰাষ্ট মহোৎসৱত অংশগ্ৰহণ কৰিব। সেইদিনাই ৰাষ্ট্ৰপতিগৰাকী গান্ধী নগৰত ৰাষ্ট্ৰীয় সুৰক্ষা বিশ্ববিদ্যালয়ৰ পঞ্চম সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব।

বুধবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে এইমছ নাগপুৰৰ দ্বিতীয় সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে নাগপুৰস্থিত নেচনেল একাডেমী অফ ডাইৰেক্ট টেক্সত ভাৰতীয় ৰাজহ সেৱাৰ আয়কৰ বিষয়াসকলৰ ৭৮ সংখ্যক বেটছৰ প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত ভাগ ল'ব। চলিত মাহৰ ১৬ তাৰিখে শ্ৰীমতী মুৰ্মুৱে ৱাৰ্ধাৰ মহাত্মা গান্ধী আন্তঃৰাষ্ট্ৰীয় হিন্দী বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত নাৰী শক্তি বন্দন সন্মিলনত ভাষণ দিব । ভাৰতৰ উন্নয়নৰ গতিপথ গঢ়াত মহিলাসকলৰ অধিক অংশগ্ৰহণৰ প্ৰতি থকা দায়বদ্ধতা ত্বৰান্বিত কৰাৰ বাবে এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলনখনৰ আয়োজন কৰা হৈছে। সন্মিলনত পঞ্চায়তৰ পৰা সংসদলৈকে সকলো স্তৰতে শাসন আৰু নেতৃত্বৰ ক্ষেত্ৰত মহিলাৰ

বৰ্ধিত ভূমিকাত আলোকপাত কৰা হ’ব। সন্মিলনত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত মহিলাৰ প্ৰতিনিধিত্ব বৃদ্ধিৰ গুৰুত্বৰ বিষয়েও বিশেষ আলোচনা কৰা হ'ব।

০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কালি "মেৰা যুৱা ভাৰত" মঞ্চৰ জৰিয়তে দেশজোৰা "নাৰী শক্তি যুৱ সংসদ"ৰ আয়োজন কৰে। এই সংসদত মুঠ ৭ হাজাৰৰো অধিক যুৱতীক একত্ৰিত কৰি গাঁথনিগত গণতান্ত্ৰিক অংশগ্ৰহণৰ আৰু যুৱ নেতৃত্বৰ অধীনত নীতিগত আলোচনাৰ কচৰৎ কৰা হৈছিল। বিভিন্ন শৈক্ষিক, সামাজিক আৰু আঞ্চলিক পটভূমিৰ যুৱতীসকলক একত্ৰিত কৰি এই অনুষ্ঠানৰ দ্বাৰা দেশৰ গণতান্ত্ৰিক আৰু উন্নয়নমূলক যাত্ৰাৰ সৈতে জড়িত মূল বিষয়সমূহ সন্দৰ্ভত আলোচনাৰ বাবে এখন বিশ্বাসযোগ্য আৰু গাঁথনিগত মঞ্চৰ সৃষ্টিৰ প্ৰয়াস কৰা হয়। এই সংসদত সামূহিকভাৱে সংবিধান (সংশোধনী) বিধেয়ক, ২০২৬ক সমৰ্থন জনোৱা হয়। এই বিধেয়কত লোকসভাৰ আসনৰ সংখ্যা ৫৪৩ৰ পৰা ৮১৬লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱৰ উপৰি মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ প্ৰস্তাৱো আছে।

দিল্লী বিশ্ববিদ্যালয় অধীনস্থ শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মাণ্ডবিয়াই সংসদত মহিলাৰ পৰিৱৰ্তনশীল ভূমিকাত আলোকপাত কৰে। তেওঁ কয় যে ভাৰতীয় গণতন্ত্ৰই মহিলাসকলক ৰাষ্ট্ৰপতিৰ পদকে ধৰি সৰ্বোচ্চ কাৰ্যালয়লৈ উন্নীত হ’বলৈ সক্ষম কৰিছে। সৰ্বাংগীন শাসন ব্যৱস্থা ৰাষ্ট্ৰীয় প্ৰগতিৰ মূল চাবিকাঠি বুলি তেওঁ উল্লেখ কৰে। অহা ১৬ৰ পৰা ১৮ এপ্ৰিললৈ নাৰী শক্তি বন্দন অধিনিয়ম সন্দৰ্ভত আয়োজিত বিশেষ অধিৱেশনৰ কথা উল্লেখ কৰি তেওঁ বিধায়িনী দলত মহিলাৰ অধিক প্ৰতিনিধিত্ব নিশ্চিত কৰাৰ গুৰুত্বত আলোকপাত কৰে।

০০০০

সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে ভাৰতৰ মহিলাসকলক দিয়া প্ৰতিশ্ৰুতি স্থগিতকৰণৰ ৰাজনীতি হ’ব নোৱাৰে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰী ৰিজিজুৱে কয়, যে যিটো সময়ত নাৰী শক্তি বন্দন অধিনিয়ম প্ৰদান কৰাৰ সময় হৈছে সেই সময়ত দ্বিধাবোধ আৰু প্ৰশ্ন উত্থাপন কৰা হৈছে। তেওঁ কয়, যে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেলৈ তেওঁ পত্ৰ লিখি এই তথ্যসমূহৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ পুনৰবাৰ উল্লেখ কৰে। তেওঁ কয়, যে কেইবা দশক ধৰি মহিলাৰ বাবে সংৰক্ষণ প্ৰতিশ্ৰুতিয়ে হৈ আছিল আৰু বৰ্তমানৰ চৰকাৰখনে ইয়াক বাস্তৱত পৰিণত কৰিলে। তেওঁ লগতে কয়, যে ২০২৯ চনৰ পূৰ্বে ৰাষ্ট্ৰৰ নাৰী শক্তিয়ে যাতে সঠিক প্ৰতিনিধিত্ব লাভ কৰে তাৰ বাবে প্ৰয়োজনীয় সংশোধনীসমূহ অতি গুৰুত্বপূৰ্ণ।

০০০০

নাগালেণ্ড আৰক্ষীয়ে ৰাজ্যখনৰ সীমান্তৱৰ্তী জিলাসমূহত ইনাৰ লাইন পাৰ্মিট বলৱৎ কৰাৰ কাম তীব্ৰতৰ কৰি তুলিছে। চুবুৰীয়া ৰাজ্য অসমৰ বিধানসভা নিৰ্বাচন আৰু মককচুঙৰ উপ-নিৰ্বাচনৰ পাছতে অবৈধ আহ-যাহ ৰোধ আৰু আইন শৃংখলা বজাই ৰখাৰ লক্ষ্যৰে চলোৱা দুদিনীয়া অভিযানত আৰক্ষীয়ে ৬০০ ৰো অধিক ইনাৰ লাইন পাৰ্মিট উলংঘাকাৰীক ধৰা পেলাইছে।

ৰাজ্যখনৰ আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি পৰহিৰ দিনটোত সীমান্তৱৰ্তী ছখন জিলাত মুঠ ৭৭৭ খন আই এল পি পৰীক্ষা কৰা হয়। ইয়াৰ ভিতৰত মুঠ ৪৩৬ জনক নিয়ম ভংগকাৰী হিচাপে চিনাক্ত কৰা হয়। একেদৰে কালিৰ দিনটোত পৰীক্ষাৰ আওতালৈ অনা এহেজাৰ ২১৭ খন আই এল পিৰ ভিতৰত ২০৮ জনক নিয়ম ভংগকাৰী বুলি চিনাক্ত কৰা হয়।

আই এল পিৰ নিয়মাৱলী উলংঘা কৰা সকলো লোকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু গোচৰসমূহ পৰৱৰ্তী কাৰ্যকলাপৰ বাবে নিজ নিজ জিলা প্ৰশাসনলৈ প্ৰেৰণ কৰা হৈছে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০

প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি চাৰি বজাত মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন কৰা হ'ব। মুম্বাইৰ ব্ৰিছ কেনডি হস্পিতালত কালি ৯২ বছৰ বয়সত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। জনসাধাৰণে  চহৰখনৰ লোৱাৰ পৰেলত থকা শিল্পীগৰাকীৰ বাসগৃহত আজি পুৱা ১১ বজা পৰ্যন্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব পাৰিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানৰ মাজত ইছলমাবাদত হোৱা যুদ্ধ বিৰতি আলোচনাত কোনো নতুন চুক্তি সম্পন্ন নোহোৱাৰ ফলত পশ্চিম এছিয়াৰ সংঘাতে নতুন মোৰ লৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ঘোষণা অনুসৰি আজিৰ পৰা দেশখনৰ সেনাই ইৰানৰ বন্দৰসমূহ সাগৰীয় পথেৰে অৱৰোধ কৰাৰ কাম আৰম্ভ কৰিব। ইৰানৰ বন্দৰ আৰু উপকূলীয় অঞ্চললৈ যোৱা নাইবা ওলাই অহা সকলো জাহাজতে এই অৱৰোধ প্ৰয়োগ কৰা হ'ব। অৱশ্যে হৰমুজ প্ৰণালীৰ মাজেৰে ইৰানক বাদ দি অন্য দেশলৈ যোৱা জাহাজৰ ক্ষেত্ৰত এই অবৰোধ প্ৰযোজ্য নহ'ব বুলি প্ৰকাশ কৰা হৈছে। ইয়াৰ প্ৰত্যুত্তৰত ইৰানৰ আই আৰ জি চিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইয়াৰ মিত্ৰজোটৰ ফালৰ পৰা সংঘটিত আক্ৰমণ সমূহে ইৰানক অধিক প্ৰত্যুত্তৰৰ বাবে বাধ্য কৰিব বুলি সকীয়াই দিছে। দেশখনে লগতে হৰমুজ প্ৰণালীত নিজৰ সম্পূৰ্ণ অধিকাৰ আছে বুলিও দাবী কৰিছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি আৰু কাইলৈ বজ্ৰপাটৰ লগতে ধুমুহা-বৰষুণৰ সতৰ্কবাণী  জাৰি কৰিছে। বতৰৰ আগলি বতৰা অনুসৰি কৰ্ণাটকৰ দক্ষিণ আভ্যান্তৰীণ অঞ্চল, লাডাখ আৰু জম্মু-কাশ্মীৰতো আজিৰ পৰা ১৬ এপ্ৰিল পৰ্যন্ত একেধৰণৰ পৰিৱেশ বিৰাজ কৰিব। ইপিনে বিভাগটোৱে উত্তৰ-পশ্চিম ভাৰতত আজিৰ পৰা অহা ১৮ এপ্ৰিললৈ  সৰ্বাধিক তাপমাত্ৰাত ক্ৰমে চাৰিৰ পৰা ছয় ডিগ্ৰী চেলচিয়াছ পৰ্যন্ত বৃদ্ধি হোৱাৰ আগলী বতাৰ দিছে। অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটকৰ উপকূলীয় অঞ্চল, গুজৰাট,

কেৰালাম, মাহে, মধ্য মহাৰাষ্ট্ৰ, ওড়িশা, তামিলনাডু, পুডুচেৰী আৰু কৰাইকালত কাইলৈ পৰ্যন্ত গৰম আৰু আদ্ৰ পৰিৱেশে বিৰাজ কৰিব বুলি বিভাগে জানিবলৈ দিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ বাংখেৰে ষ্টেডিয়ামত অনুষ্ঠিত লীগ পৰ্যায়ৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৱে মুম্বাই ইণ্ডিয়ানছক ১৮ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। ২৪১ ৰানৰ বৃহৎ লক্ষ্যৰে খেলি মুম্বায়ে নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২২২ ৰানহে কৰিবলৈ সক্ষম হয়। মুম্বাইৰ হৈ এছ ৰাডাৰ ফৰ্ডে ৩১ টা বলত ৭১ ৰান কৰি আউট নোহোৱাকৈ থাকে। বেংগালুৰুৰ ছুয়াছ শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বাংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৪ টা উইকেটৰ বিনিময়ত ২৪০ ৰান সংগ্ৰহ কৰে। দলটোৰ অপেনিং বেটছমেন ফিল ছল্টে সৰ্বাধিক ৭৮ ৰান কৰাৰ বিপৰীতে বিৰাট কোহলী আৰু অধিনায়ক ৰজত পাটিদাৰে অৰ্ধশতকীয় ইনিংছ খেলে। ফিল ছল্টক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

দিনটোৰ আন এখন খেলত কালি গুজৰাট টাইটানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক সাত উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত লক্ষ্ণৌয়ে বান্ধি দিয়া ১৬৫ ৰানৰ বিজয় লক্ষ্য গুজৰাটে ১৮ অভাৰ আৰু ৪ টা বলতে অতিক্ৰম কৰে। গুজৰাটৰ সুভমন গীল আৰু জছ্ বাটলাৰে অৰ্ধশতক অৰ্জন কৰে। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে প্ৰসিদ্ধ কৃষ্ণাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্চ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মান্দাভিয়াই বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপছত ৰূপৰ পদক অৰ্জন কৰা আয়ুষ ছেট্টিক অভিনন্দন জ্ঞাপন কৰিছে। চকুতলগা প্ৰদৰ্শনেৰে খেলুৱৈগৰাকীয়ে সমগ্ৰ দেশকে গৌৰৱান্বিত কৰি তুলিছে বুলি সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মান্দাভিয়াই উল্লেখ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ